NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

০০০০০০০০০

১। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক মহাত্মা গান্ধীৰ সপোনৰ ভাৰতৰ ধাৰণাৰে সত্য, অহিংসা, প্ৰেম আৰু বিশুদ্ধতাৰ মূল্যবোধক গ্ৰহণ কৰাৰ সংকল্প ল'বলৈ আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ১৫৫ সংখ্যক গান্ধী জয়ন্তী উপলক্ষে স্বচ্ছ ভাৰত দিৱস, ২০২৪ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

৩। জম্মু-কাশ্মীৰত ৪০টা বিধানসভা সমষ্টিৰ বাবে হোৱা তৃতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ কালি শান্তিপূৰ্ণভাৱে সমাপ্ত হয়।

৪। দেশৰ ১৪খন বান প্ৰভাৱিত ৰাজ্যলৈ কেন্দ্ৰীয় চৰকাৰে ৫ হাজাৰ ৮৫০ কোটিৰো অধিক টকা মোকলাই দিছে। ***আৰু***

৫। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাত আগন্তুক দুদিনত ধাৰাসাৰ বৰষুণৰ আগলি বতৰা দিছে।

০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক মহাত্মা গান্ধীৰ সপোনৰ ভাৰতৰ ধাৰণাৰে সত্য, অহিংসা, প্ৰেম আৰু বিশুদ্ধতাৰ মূল্যবোধক গ্ৰহণ কৰাৰ সংকল্প ল'বলৈ আহ্বান জনাইছে। জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে দেশ আৰু সমাজৰ উন্নয়ন অবিৰতভাৱে আগুৱাই নিবলৈ জনসাধাৰণক চেষ্টা কৰিবলৈ আহ্বান জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে মহাত্মা গান্ধীয়ে মানুহক শান্তি আৰু সহযোগিতাৰ পথ অনুসৰণ কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। তেওঁ লগতে কয় যে গান্ধীজীয়ে অস্পৃশ্যতা, নিৰক্ষৰতা, অনাময়ৰ অভাৱ আৰু কুসংস্কাৰ নিৰ্মূলৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াইছিল। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সমাজৰ দুৰ্বল শ্ৰেণীক শক্তিশালী কৰাৰ বাবে বাপুৱে সংগ্ৰাম কৰিছিল। গান্ধীজীৰ ধাৰণাসমূহে বিশ্বৰ বহু মহান ব্যক্তিত্বক প্ৰভাৱিত কৰিছিল আৰু তেওঁলোকে গান্ধীজীক অনুসৰণ কৰিছিল বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ১৫৫ সংখ্যক গান্ধী জয়ন্তী উপলক্ষে স্বচ্ছ ভাৰত দিৱস, ২০২৪ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। স্বচ্ছতাৰ বাবে অন্যতম উল্লেখযোগ্য গণ আন্দোলন স্বচ্ছ ভাৰত অভিযান আৰম্ভ হোৱাৰ আজি ১০ বছৰ সম্পূৰ্ণ হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত অনাময় আৰু পৰিস্কাৰ পৰিচ্ছন্নতাৰ সৈতে জড়িত ৯ হাজাৰ ৬০০ কোটি টকাৰ অধিক মূল্যৰ কেইবাটাও প্ৰকল্প শুভাৰম্ভ কৰিব। ইয়াৰ ভিতৰত আমৰুট আৰু আমৰুট ২.০ৰ অধীনত প্ৰকল্প, স্বচ্ছ গংগাৰ বাবে ৰাষ্ট্ৰীয় অভিযান আৰু গোবৰ্দ্ধন আঁচনিৰ অধীনত ১৫টা সংকুচিত বায়'গেছ প্ৰকল্প অন্যতম।

০০০

জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত আজি সমগ্ৰ দেশবাসীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। গান্ধী জয়ন্তী উপলক্ষে প্ৰতি বছৰে সমগ্ৰ দেশৰ লগতে প্ৰবাসী ভাৰতীয়সকলেও ধাৰাবাহিকভাৱে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰি আহিছে। নতুন দিল্লীৰ ৰাজঘাটৰ বাপুৰ সমাধিস্থলীত গান্ধী জয়ন্তী উপলক্ষে আজি এখন সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হৈছে। জন্মবাৰ্ষিকী উপলক্ষে দেশবাসীয়ে আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীকো স্মৰণ কৰিছে।

০০০

দেশৰ ১৪খন বান প্ৰভাৱিত ৰাজ্যলৈ কেন্দ্ৰীয় চৰকাৰে ৫ হাজাৰ ৮৫০ কোটিৰো অধিক টকা মোকলাই দিছে। অন্যান্য ৰাজ্যসমূহৰ লগতে মহাৰাষ্ট্ৰলৈ এহেজাৰ ৪৯২ কোটি টকা, অন্ধ্ৰ প্ৰদেশলৈ এহেজাৰ কোটিৰো অধিক টকা, গুজৰাটলৈ ৬০০ কোটি টকা আৰু তেলেংগানালৈ ৪১৭ কোটি টকা মোকলাই দিয়া হৈছে। চলিত বৰ্ষৰ বাৰিষা কালত অতিমাত্ৰা বৰষুণ, বান আৰু ভূমিস্খলনৰ ফলত নিৰ্বাচিত ৰাজ্যসমূহ ক্ষতিগ্ৰস্ত হৈছিল। বানাক্ৰান্ত ৰাজ্য অসম, মিজোৰাম, কেৰালা, ত্ৰিপুৰা, নাগালেণ্ড, গুজৰাট, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা আৰু মণিপুৰলৈ ক্ষয়-ক্ষতিৰ মূল্যায়নৰ বাবে  আন্তঃমন্ত্ৰালয় কেন্দ্ৰীয় দল প্ৰেৰণ কৰা হৈছিল। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে কৈছে যে বিহাৰ আৰু পশ্চিম বংগলৈ তৎকালীনভাৱে ক্ষয়-ক্ষতিৰ মূল্যায়নৰ বাবে এই বিশেষ দল প্ৰেৰণ কৰা হ'ব। মূল্যায়ন প্ৰতিবেদনৰ পাছতেই ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ তৰফৰ পৰা অতিৰিক্ত আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ৰাজ্যসমূহক সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ সংকল্পবদ্ধ। তেওঁ লগতে কয় যে চলিত বৰ্ষত ইতিমধ্যে ২১খন ৰাজ্যলৈ ১৪ হাজাৰ ৯০০ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে।

০০০

জম্মু-কাশ্মীৰত ৪০টা বিধানসভা সমষ্টিৰ বাবে হোৱা তৃতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ কালি শান্তিপূৰ্ণভাৱে সমাপ্ত হয়। জম্মুৰ ২৪টা সমষ্টি আৰু কাশ্মীৰৰ ১৬টা সমষ্টিৰ বাবে ভোটাধিকাৰ নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। তৃতীয় পৰ্যায়ত ৬৫ দশমিক ৬-৫ শতাংশ ভোটাদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। কাশ্মীৰৰ বান্দিপোৰা জিলাত ৬৫ শতাংশ ভোটদান হোৱাৰ বিপৰীতে জম্মুৰ চাম্বা জিলাত সৰ্বাধিক ৭১ দশমিক ৪-৫ শতাংশ ভোটদান সম্পন্ন হয়। বান্দিপোৰাৰ গুৰেজ বিধানসভা সমষ্টিত সৰ্বাধিক ৭৫ দশমিক ৮-৯ শতাংশ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰে। নিৰ্বাচন সুচাৰুৰূপে পৰিচালনাৰ বাবে স্থানীয় প্ৰশাসন আৰু নিৰ্বাচন আয়োগে ব্যাপক নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰিছিল।

০০০

জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই তৃতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনত হোৱা অভিলেখসংখ্যক ভোটদানৰ বাবে ভোটাৰসকলক আন্তৰিক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে উপ-ৰাজ্যপালগৰাকীয়ে কয় যে, তিনিওটা পৰ্যায়তে ভোটাৰসকলৰ মাজত ভোটাধিকাৰ সাব্যস্ত কৰাৰ উৎসাহে জম্মু-কাশ্মীৰৰ গণতন্ত্ৰ আৰু গণতান্ত্ৰিক প্ৰমূল্যবোধৰ প্ৰতি থকা জনসাধাৰণৰ বিশ্বাসক সূচায়। তেওঁ লগতে, বিধানসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ অভিলেখ ভোটদানৰ বাবে ৰাইজক অভিনন্দন জনোৱাৰ উপৰি

কেইবাটাও পৰ্যায়ৰ নিৰ্বাচন সফলতাৰে অনুষ্ঠিত কৰা বাবে নিৰ্বাচনী বিষয়া, জিলা প্ৰশাসন, জম্মু কাশ্মীৰ আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ অক্লান্ত প্ৰচেষ্টাৰো প্ৰশংসা কৰে। তেওঁ কয় যে,জম্মু-কাশ্মীৰৰ নিৰ্বাচনৰ ইতিহাসত - স্বচ্ছ, মুক্ত আৰু নিৰপেক্ষভাৱে অনুষ্ঠিত ২০২৪ৰ বিধানসভা নিৰ্বাচন সোণালী আখৰেৰে লিপিবদ্ধ হৈ হ'ব।

000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাত আগন্তুক দুদিনত ধাৰাসাৰ বৰষুণৰ আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে জনোৱা অনুসৰি তামিলনাডু, পুডুচেৰী, কৰ্ণাটকৰ উপকূলীয় অঞ্চল আৰু কাৰাইকালত ৫ অক্টোবৰ পৰ্যন্ত মুষলধাৰ বৰষুণৰ সম্ভাৱনা জাৰি কৰিছে।

000

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কালি ৱাশ্বিংটন ডিচিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ সচিব এণ্টনি ব্লিঙ্কেনৰ সৈতে আলোচনাত মিলিত হয়। শেহতীয়াকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ডেলাৱেৰত অনুষ্ঠিত কোৱাড বৈঠক আৰু দ্বিপাক্ষিক আলোচনা সন্দৰ্ভত দুয়োগৰাকী নেতাৰ মাজত কথা বতৰা হয়।

আলোচনাত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি কৰা, পশ্চিম এছিয়াৰ পৰিস্থিতি, ভাৰতীয় উপমহাদেশ তথা ভাৰত-প্ৰশান্ত মহাসাগৰীয় আৰু ইউক্ৰেইনৰ শেহতীয়া উন্নয়নৰ বিষয়সমূহেও স্থান পায়।

000

ৰে'ল, তথ্য আৰু সম্প্ৰচাৰ আদি বিভাগৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি কলকাতাৰ শিয়ালদহ ৰে'ল ষ্টেচনৰ পৰা পূব ৰে'লৱেৰ শিয়ালদহ উপনগৰীয় মুখ্য পথত ১২ টা ডবাযুক্ত বৈদ্যুতিক স্থানীয় ৰে'লসেৱাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। তেওঁ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে আজিমগঞ্জ-কাছিমবজাৰ আৰু কৃষ্ণনগৰ-আজিমগঞ্জ পথৰ ৰে'ল সেৱাৰো উদ্বোধন কৰিব।

আজি মুম্বাইৰ পৰা কলকাতাত উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে গাৰ্ডেন ৰিচচত স্বচ্ছতা হি সেৱা কাৰ্যসূচীত যোগদান কৰাৰ উপৰি গান্ধী ভৱনত পুষ্পাঞ্জলি অৰ্পণ অনুষ্ঠানত অংশ লোৱাৰ অন্তত আবেলি নতুন দিল্লীলৈ ৰাওনা হ'ব।

000

নাগালেণ্ডৰ কফী খেতি ২০১৪ চনৰ ১৪৫ হেক্টৰ এলেকাৰ পৰা সম্প্ৰতি ১০ হাজাৰ ২০০ হেক্টৰলৈ বৃদ্ধি পাইছে।

'উন্নত ভৱিষ্যতৰ বাবে সহযোগিতা'ক মূল বিষয়বস্তু হিচাপে লৈ ভূমি সম্পদ সঞ্চালকালয়ে আয়োজন কৰা আন্তৰ্জাতিক কফি দিৱসত ভূমি সম্পদ উপদেষ্টা জি ইকুটো ঝিমোমীয়ে এই কথা প্ৰকাশ কৰে ।

ঝিমোমীয়ে লগতে যুৱক-যুৱতীসকলক নিযুক্তি আৰু অৰ্থনৈতিক সম্ভাৱনাৰ পৰিসৰৰ দিশটো অনুধাৱন কৰি কফি উদ্যোগক গুৰুত্বসহকাৰে ল'বলৈ উৎসাহিত কৰাৰ লগতে ভাৰতীয় কফি ব'ৰ্ড তথা বিভাগকো ৰাজ্যখনত কফী খেতিৰ বিকাশৰ প্ৰচাৰ অব্যাহত ৰাখিবলৈ আৰু কৃষকসকলক সমৰ্থন কৰিবলৈ উৎসাহিত কৰে।

০০০

ইৰাণে কালি নিশা প্ৰায় ২০০ মিছাইলেৰে ইজৰাইলত আক্ৰমণ চলায়। হিজবুল্লাহ আৰু হামাছৰ সদস্যসকলৰ হত্যাৰ প্ৰতিক্ৰিয়া স্বৰূপে এই আক্ৰমণ কৰা বুলি ইৰাণে দাবী কৰিছে। ইপিনে, ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুয়ে তেহৰাণক সকিয়াই কৈছে যে তেওঁলোকে বহু ডাঙৰ ভুল কৰিছে আৰু ইয়াৰ পৰিণাম ভুগিব লাগিব। ইজৰাইলৰ প্ৰতিৰক্ষা মন্ত্ৰী য়োৱ গেলেণ্টে কৈছে যে বিগত বৰ্ষৰ পৰা ইৰাণে কোনো শিক্ষা নাপালে।

ইপিনে, ইজৰাইলৰ সেনাৰ মুখপাত্ৰই কৈছে যে কালিৰ  আক্ৰমণত কোনো হতাহত হোৱাৰ কোনো তথ্য নাই আৰু ইজৰাইলৰ আকাশমাৰ্গো সম্পূৰ্ণ সুৰক্ষিত আছে। ইজৰাইলী বায়ুসেনাই মধ্য পূৰ্বত শক্তিশালী আক্ৰমণ কৰিব বুলিও তেওঁ সকিয়াই দিয়ে।

০০০

ইজৰাইলৰ ৰাজধানী তেল আভিভত থকা ভাৰতীয় দূতাবাসে ইজৰাইলত থকা ভাৰতীয়সকলক সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় কৰ্তৃপক্ষৰ পৰামৰ্শ অনুসৰি সুৰক্ষা সম্পৰ্কীয় নিৰ্দেশনা মানি চলিবলৈ পৰামৰ্শ প্ৰদান কৰিছে। সাৱধানতা অৱলম্বন কৰাৰ লগতে দেশখনত অপ্ৰয়োজনীয় ভ্ৰমণ পৰিহাৰ কৰিবলৈ আৰু সুৰক্ষা আশ্ৰয় শিবিৰৰ আশে-পাশে থাকিবলৈ ভাৰতীয় দূতাবাসে আহ্বান জনাইছে। এটা বিবৃতিত ইজৰাইলস্থিত ভাৰতীয় দূতাবাসে কৈছে যে দূতাবাসে নিবিড়ভাৱে পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু ভাৰতীয় নাগৰিকৰ সুৰক্ষা নিশ্চিত কৰিবলৈ ইজৰাইল কৰ্তৃপক্ষৰ সৈতে নিয়মীয়াকৈ যোগাযোগত আছে। যিকোনো জৰুৰীকালীন পৰিস্থিতিত ভাৰতীয় নাগৰিকসকলক +৯৭২-৫৪৭৫২০৭১১ অথবা +৯৭২-৫৪৩২৭৮৩৯২ হেল্পলাইন নম্বৰ যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। পঞ্জীয়ন নকৰা ভাৰতীয় নাগৰিকসকলক দূতাবাসে প্ৰচাৰ কৰা এটা লিংকযোগে পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে।

০০০

সমাপ্ত